# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

**Date :** 28-10-2024 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

## *HEADLINES*

১। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে টাটা এয়াৰক্ৰাফ্‌ট কমপ্লেক্সে গোলকীয় মহাকাশ উৎপাদনৰ এক বিশ্বাসযোগ্য অংশীদাৰ হিচাপে ভাৰতৰ স্থিতি অধিক শক্তিশালী কৰে।

২। অসমৰ ৫টা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষণ প্ৰক্ৰিয়া অব্যাহত আছে।

৩। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে আজি সন্ধিয়া হোৱাইট হাউছত ভাৰতীয় আৰু আমেৰিকাৰ নাগৰিকসকলৰ সৈতে দীপাৱলী উদযাপন কৰিব।

আৰু

৪। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে চৰকাৰে ধান বনা কলত উৎপাদিত সকলো সামগ্ৰী ক্ৰয় কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি কৃষকসকলক আশ্বাস দিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰো ছানচেজে আজি যুটীয়াভাৱে গুজৰাটৰ বাডোদ্ৰাত চি-২৯৫ সামৰিক বিমানৰ বাবে টাটা এয়াৰক্ৰাফ্‌ট কমপ্লেক্স মুকলি কৰে। এয়া হৈছে ভাৰতৰ সামৰিক বিমানৰ বাবে প্ৰথমটো ব্যক্তিগত খণ্ডৰ ফাইনেল এছেম্বলি লাইন। এই কাৰ্যসূচীত টাটাৰ উপৰি ভাৰত ইলেকট্ৰনিকছ লিমিটেড আৰু ভাৰত ডায়নেমিকছ্ লিমিটেডৰ দৰে প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডৰ অগ্ৰণী গোটসমূহৰ লগতে ব্যক্তিগত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগসমূহেও অৰিহণা যোগাইছে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ দি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে টাটা এয়াৰক্ৰাফ্‌ট কমপ্লেক্সে গোলকীয় মহাকাশ উৎপাদনৰ এক বিশ্বাসযোগ্য অংশীদাৰ হিচাপে ভাৰতৰ স্থিতি অধিক শক্তিশালী কৰে। তেওঁ কয় যে এই কাৰখানাই ভাৰত-স্পেইনৰ সম্পৰ্কৰ লগতে মেক ইন্ ইণ্ডিয়া আৰু মেক ফৰ দা ৱৰ্ল্ড অভিযানো শক্তিশালী কৰিব। প্ৰতিৰক্ষা উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ বৰ্ধিত সামৰ্থ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতে বিশ্বৰ বাবে অসামৰিক বিমান নিৰ্মাণ কৰাৰ সময় চমু চাপি আহিছে আৰু ইয়াত ভাৰতৰ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া খণ্ডই উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব।

ভাৰতৰ প্ৰতিৰক্ষা খণ্ডৰ অভূতপূৰ্ব বৃদ্ধি আৰু দেশত প্ৰতিৰক্ষা উদ্যোগ গঢ়ি তোলা তথা প্ৰতিৰক্ষা উৎপাদনত ব্যক্তিগত খণ্ডৰ অংশীদাৰীত্ব বৃদ্ধিৰ বাবে তেওঁৰ চৰকাৰে গ্ৰহণ কৰা কেইবাটাও পদক্ষেপৰ ওপৰতো প্ৰধানমন্ত্ৰী মোদীয়ে আলোকপাত কৰে। তেওঁ কয় যে যোৱা ৫ বছৰত দেশত প্ৰায় এহেজাৰ প্ৰতিৰক্ষা ষ্টাৰ্টআপ স্থাপন কৰা হৈছে। আনহাতে, যোৱা ১০ বছৰত ভাৰতৰ প্ৰতিৰক্ষা ৰপ্তানি ৩০ গুণ বৃদ্ধি হৈছে। ভাৰতে এতিয়া ১০০ খনতকৈও অধিক দেশলৈ প্ৰতিৰক্ষা সামগ্ৰী ৰপ্তানি কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে বাডোদ্ৰাৰ এই নতুন সুবিধাই দেশৰ যুৱক-যুৱতীসকলক দক্ষতা আৰু প্ৰযুক্তি প্ৰদানৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ লগতে তেওঁলোকৰ বাবে কেইবাহাজাৰো নিয়োগৰ সৃষ্টি কৰিব। খাদ্য, চলচ্চিত্ৰ আৰু ফুটবলৰ জৰিয়তে ভাৰত আৰু স্পেইনৰ মাজৰ শক্তিশালী সম্পৰ্কৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে দুয়োখন দেশে ২০২৬ বৰ্ষক সাংস্কৃতিক পৰ্যটন আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ বৰ্ষ হিচাপে উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

এই উপলক্ষে ভাষণ দি স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰো ছানচেজে  কয় যে এয়াৰ বাছ আৰু টাটাৰ অংশীদাৰিত্বই ভাৰতীয় মহাকাশ উদ্যোগৰ অগ্ৰগতিত অৰিহণা যোগাব আৰু ইউৰোপৰ অন্যান্য কোম্পানীসমূহ ইয়াৰ সৈতে জড়িত হোৱাৰ বাবে নতুন দুৱাৰ মুকলি কৰিব। উল্লেখযোগ্য যে টাটা এয়াৰবাছ প্ৰকল্প হৈছে মেক ইন ইণ্ডিয়া পদক্ষেপৰ অধীনত সামৰিক বিমানৰ বাবে গ্ৰহণ কৰা দেশৰ প্ৰথমটো ব্যক্তিগত খণ্ডৰ এৰোস্পেচ প্ৰকল্প। ইয়াৰ পাছতেই দুয়োগৰাকী নেতাই এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীৰ পাছত নেতা দুগৰাকীৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ আমৰেলিত প্ৰায় ৪ হাজাৰ ৯০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। আমৰেলী, জামনগৰ, মৰ্বি, দেৱভূমি দ্বাৰকা, জুনাগড়, পোৰবন্দৰ, কচ্ছ আৰু বোটাড জিলাৰ নাগৰিকসকলক উপকৃত কৰিব।

ইয়াৰ লগতে প্ৰধানমন্ত্ৰী মোদীয়ে আমৰেলীত ভাৰত মাতা সৰোবৰো উদ্বোধন কৰিব। আনহাতে, সংযোগ উন্নত কৰাৰ প্ৰয়াসত প্ৰধানমন্ত্ৰীয়ে ২৮০০ কোটিতকৈও অধিক টকাৰ বিভিন্ন পথ প্ৰকল্পৰ ভেটি স্থাপন কৰিব। প্ৰায় এহেজাৰ ১০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ হোৱা ভূজ-নলীয়া ৰেলগজ ৰূপান্তৰ প্ৰকল্প তেওঁ দেশবাসীৰ বাবে উচৰ্গা কৰিব। আমৰেলী জিলাৰ পানীযোগান বিভাগৰ ৭০০ কোটিটকীয়া অতিৰিক্ত ব্যয়সাপেক্ষ বিভিন্ন উন্নয়নমূলক প্ৰকল্পও উদ্বোধন কৰিব বুলি জানিব পৰা গৈছে। এই প্ৰকল্পসমূহৰ ভিতৰত নৱদাৰ পৰা শ্বাৱন্দালৈ বাল্ক পাইপলাইন অন্যতম, যিয়ে ৩৬ খন চহৰ আৰু এহেজাৰ ২৯৮ খন গাঁৱৰ প্ৰায় ৬৭ লাখ হিতাধিকাৰীক অতিৰিক্ত ২৮ কোটি লিটাৰ পানী যোগান ধৰিব পাৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে পৰ্যটন সম্পৰ্কীয় বহুতো আধাৰশিলা স্থাপন কৰিব য'ত পোৰবন্দৰ জিলাৰ মকাৰ সাগৰত থকা কাৰ্লি ৰিচাৰ্জ জলাশয়ক বিশ্বমানৰ বহনক্ষম ইক' ট্যুৰিজিমৰ গন্তব্য স্থানলৈ ৰূপান্তৰিত কৰাটো অন্তৰ্ভুক্ত হৈ আছে।

০০০০০০০

————অসমৰ ৫টা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষণ প্ৰক্ৰিয়া অব্যাহত আছে। এই উপ-নিৰ্বাচনৰ বাবে শাসক-বিৰোধী আৰু নিৰ্দলীয়কে ধৰি মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। পৰহিলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

ইপিনে, নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলসমূহে নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অব্যাহত ৰাখিছে।

০০০০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে হোৱাইট হাউছত আজি সন্ধিয়া ভাৰতীয় আৰু আমেৰিকাৰ নাগৰিকসকলৰ সৈতে ৰাষ্ট্ৰপতি হিচাপে অন্তিমবাৰৰ বাবে দীপাৱলী উদযাপন কৰিব। এই উৎসৱে আমেৰিকা আৰু ভাৰতীয় আমেৰিকান সম্প্ৰদায়ৰ মাজৰ বন্ধন অটুট কৰাৰ লগতে ই ভাৰতীয় ঐতিহ্য আৰু সংস্কৃতিৰ স্মৰণীয় মুহূৰ্ত হৈ ৰ'ব বুলি আশা কৰা হৈছে। হোৱাইট হাউছৰ তৰফৰ পৰা এটা বিবৃতিযোগে কোৱা হৈছে যে ৰাষ্ট্ৰপতি শ্ৰী বাইডেনে যোৱা বছৰৰ দৰেই এইবাৰো এই পৰম্পৰা ৰক্ষা কৰি ব্লু ৰুমত বন্তি প্ৰজ্বলন কৰিব। ইয়াৰ পাছত তেওঁ ভাৰতীয় আমেৰিকানসকলৰ এখন সভা সম্বোধন কৰিব। অনুষ্ঠানৰ লগত সংগতি ৰাখি ৱাশ্বিংটন ডিচিৰ দক্ষিণ এছিয়াৰ শাস্ত্ৰীয় সংগীত আৰু নৃত্যৰ দল নুটানাই অনুষ্ঠান পৰিৱেশন কৰিব।

০০০০০০০০০

গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে চৰকাৰে ধান বনা কলত উৎপাদিত সকলো সামগ্ৰী ক্ৰয় কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি কৃষকসকলক আশ্বাস দিছে। নতুন দিল্লীত আজি ধান বনা কলৰ স্বত্বাধিকাৰীসকলৰ বাবে ভাৰতীয় খাদ্য নিগমৰ অভিযোগ নিৰাময় ব্যৱস্থাৰ প'ৰ্টেল মুকলি কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ কয় যে পঞ্জীয়নৰ পৰা আৰম্ভ কৰি সমাধানলৈকে সকলো ব্যৱস্থা এতিয়া অনলাইনত কৰা হ'ব। তেওঁ কৃষকসকলক তেওঁলোকৰ প্ৰতিটো অভিযোগ স্বচ্ছ প্ৰক্ৰিয়াৰে সমাধান কৰা হ'ব বুলিও আশ্বাস দিয়ে।

০০০০০০০০০

নতুন দিল্লীত আজি ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ- NDMA ৰ ২০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হ'ব । কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অনুষ্ঠানৰ উদ্বোধনী সত্ৰত অংশগ্ৰহণ কৰিব। প্ৰতিষ্ঠানটোৰ এইবাৰৰ প্ৰতিস্থা দিৱসৰ বিষয়বস্তু হৈছে 'আচৰণ পৰিৱৰ্তনৰ বাবে সজাগতাৰ জৰিয়তে দুৰ্যোগৰ আশংকা হ্ৰাসৰ বাবে সম্প্ৰদায়সমূহক সবলীকৰণ কৰা'। মূল বিষয়বস্তুক কেন্দ্ৰ কৰি তিনিখন কাৰিকৰী অধিবেশনো অনুষ্ঠিত হ'ব। ইয়াৰ উপৰি নিৰ্দেশাৱলী, মান সম্পন্ন পৰিচালনা বিধিকে ধৰি কেইবাখনো নথি-পত্ৰ আৰু বিভিন্ন দুৰ্যোগৰ বিষয়বস্তুৰ গ্ৰন্থও মুকলি কৰা হ'ব। গৃহ মন্ত্ৰালয়ে কৈছে যে ভাৰতে দুৰ্যোগৰ প্ৰভাৱ কমোৱাৰ বাবে সৰ্বাংগীন আৰু সক্ৰিয় পদক্ষেপ ৰূপায়ণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

00000000

ডি বি ষ্টক ৱাৰ্কিং নামৰ প্ৰতিষ্ঠানখনে অনলাইন ট্ৰেডিঙৰ নামত কেইবা হাজাৰ কোটি টকা লুণ্ঠন চলোৱাৰ অভিযোগত অভিযুক্ত দীপাংকৰ বৰ্মনক কালি গোৱাত অসম আৰক্ষীৰ এটা দলে গ্ৰেপ্তাৰ কৰে। বিগত প্ৰায় আঢ়ৈ মাহ ধৰি পলাতক অৱস্থাত থকা দীপাংকৰক আৰক্ষীয়ে কেইবাখনো ঠাইত অভিযান চলাই পাণবজাৰৰ এ চি পি অমিত মাহাটোৰ নেতৃত্বত আটক কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে ধৃত দীপাংকৰৰ পৰা আৰক্ষীয়ে ২৭ লাখ ৬ হাজাৰ ৭৫০ টকাৰ লগতে সোণৰ অলংকাৰ, কেবাখনো বিলাসী গাড়ী আৰু বাইক জব্দ কৰে।

০০০০০০

জম্মু-কাশ্মীৰত আখনূৰ খণ্ডত সন্ত্ৰাসবাদীয়ে আজি পুৱা সেনাবাহিনীৰ এখন বাহনক লক্ষ্য কৰি একাধিক গুলীচালনা কৰে। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি জম্মু জিলাৰ আখনূৰ খণ্ডৰ বট্টাল এলেকাত বৰ্তমান নিৰাপত্তা বাহিনীয়ে তালাচী অভিযান চলাই আছে। খোৰ বটল অঞ্চলৰ আছান মন্দিৰৰ সমীপৰ গাঁওবাসীয়ে অস্ত্ৰধাৰী সন্ত্ৰাসবাদীৰ উপস্থিতিৰ বিষয়ে জনায়। আৰক্ষীৰ লগতে সেনাই গাঁওখনৰ লগতে কাষৰীয়া অঞ্চলসমূহ ঘেৰাও কৰি সীমান্তৰ সিপাৰৰ পৰা অনুপ্ৰৱেশ কৰা সন্ত্ৰাসবাদীৰ সন্ধান আৰু নিষ্ক্ৰিয় কৰাৰ অভিযান অব্যাহত ৰাখিছে।

000000

ইৰাণৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেইয়ে গোলকীয় সামৰিক মিত্ৰজোঁটৰ বাবে আহ্বান জনাইছে। বিগত সপ্তাহৰ শেষৰ ফালে ইৰাণৰ গুৰুত্বপূৰ্ণ সামৰিক স্থানসমূহৰ বিৰুদ্ধে ইজৰাইলৰ বিমান আক্ৰমণৰ উচিত প্ৰত্যুত্তৰ দিয়া হব বুলি ইৰাণৰ শীৰ্ষ বিষয়াসকলে ঘোষণা কৰিছে। ইৰাণৰ সৰ্বোচ্চ নেতাগৰাকীৰ এই শক্তিশালী ঘোষণাই আমেৰিকাৰ আগশাৰীৰ বিৰোধীসমূহ চীন, ৰাছিয়া আৰু উত্তৰ কোৰিয়াৰ সৈতে ইৰাণৰ মিত্ৰতা শক্তিশালী কৰাটো প্ৰতিফলিত কৰিছে। ইৰাণৰ সৰ্বোচ্চ নেতাগৰাকীয়ে তেওঁৰ মিত্ৰজোঁটৰ বিষয়ে কোনো সবিশেষ প্ৰকাশ কৰা নাই বা কোনো নিৰ্দিষ্ট দেশক ইজৰাইলৰ বিৰুদ্ধে প্ৰত্যক্ষ সামৰিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা নাই। ইৰাণৰ প্ৰথম উপ-ৰাষ্ট্ৰপতি মহম্মদ ৰেজা আৰেফে কৈছে যে শুকুৰবাৰে নিশা বিমান আক্ৰমণৰ দোষীসকলে সমুচিত শিক্ষা লাভ কৰিব।

<><><>